# REGIONAL NEWS UNIT
## AKASHVANI :: GUWAHATI

0000000000

**Date : 20-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল খাদটো তেল আৰু প্ৰাকৃতিক গেছ নিগম অৰ্থাৎ অ' এন জি চিয়ে স্থায়ীভাৱে  বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেলত কয়, যে বিগত ৮ দিন ধৰি অ' এন জি চিয়ে একাধিক পদ্ধতিৰ ব্যৱহাৰেৰে গেছ নিৰ্গমন ৰোধ কৰিবলৈ চেষ্টা কৰি আহিছে। অ' এন জি চিয়ে গেছ নিৰ্গমন বন্ধ কৰিবলৈ অধিক সুৰক্ষিত কৌশল প্ৰয়োগ কৰিছে আৰু ইয়াৰে প্ৰায় ৫০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণত সহযোগিতা আগবঢ়োৱাৰ বাবে আমেৰিকাৰ এটা তিনিজনীয়া বিশেষজ্ঞ দল আজি সন্ধিয়া উপস্থিত হৈ ইতিমধ্যে যাৱতীয় কাম-কাজ আৰম্ভ কৰিছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৭ সংখ্যক স্মৃতি দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ বিষ্ণুপ্ৰসাদ ৰাভাই অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ সংগ্ৰামী জীৱনৰ আদৰ্শ আৰু সৃষ্টিৰাজীয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন উদ্বুদ্ধ কৰি আহিছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নলবাৰী জিলা প্ৰশাসনৰ সহযোগত আজি নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ড° শৰ্মাই তেওঁৰ ভাষণত বিপ্লবী শিল্পীগৰাকীৰ চিন্তা-চেতনাত আলোকপাত কৰে।

এই দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতনামা ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰা হয়। বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ **বিষ্ণু ৰাভা বঁটা** আগবঢ়োৱা হৈছে। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ **শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা** আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ **স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা** আগবঢ়োৱা হৈছে।

তিনিটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ **শ্ৰীশ্ৰীমাধৱদেৱ বঁটা**, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ **কালীচৰণ ব্ৰহ্ম বঁটা** আৰু সিন্দূৰ অভিযানত শ্বহীদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংগাখামলৈ **বীৰ চিলাৰায় বঁটা** আগবঢ়োৱা হৈছে।

০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত হোৱা অনিয়মৰ গোচৰত বৰ্খাস্ত চৰকাৰী বিষয়াৰ চাকৰি বাহাল ৰাখিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। ৰাকেশ কুমাৰ পাল অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হৈ থকা অৱস্থাত ধনৰ বিনিময়ত চাকৰি লোৱাৰ অভিযোগত অসম প্ৰশাসনীয় সেৱাৰ বিষয়াকে ধৰি ভালেসংখ্যক বিষয়াক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। পৰৱৰ্তী পৰ্যায়ত এই বিষয়াসকলে তেওঁলোকৰ বৰ্খাস্তকৰণৰ প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত জনোৱা আবেদন এজনীয়া বিচাৰপীঠে খাৰিজ কৰিছিল। এই বিষয়াসকলে এজনীয়া বিচাৰপীঠৰ ৰায়ক প্ৰত্যাহ্বান জনাই খণ্ড আদালতত আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতে এই বিষয়াসকলক চাকৰিত বাহাল ৰাখিবলৈ নিৰ্দেশ দিয়ে।

০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত কাইলৈ একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হ'ব। অসমতো যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত কাইলৈ পুৱা ৬ বজাত হ'বলগীয়া ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব।

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনত গুৱাহাটীৰ কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ উদ্যোগত গুৱাহাটী ৰিফাইনেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোগ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত পদ্মভূষণ সন্মানেৰে সন্মানিত নৃত্যাচাৰ্য যতীন গোস্বামী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বিশেষজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা বিভিন্ন যোগ কৌশল প্ৰদৰ্শন কৰা হ'ব।

আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে কাইলৈ বিশাখাপট্টনমত আয়োজিত সমূহীয়া যোগাভ্যাস অনুষ্ঠান আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিবলগীয়া এই অনুষ্ঠান পুৱা চাৰে ছয় বজাৰ পৰা আকাশবাণী গুৱাহাটী কেন্দ্ৰইও ৰীলে কৰিব। এই অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত কাইলৈ পুৱা সাত বাজি ৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া অসমীয়া বাতৰি এই পোনপটীয়া প্ৰচাৰৰ পাছত প্ৰচাৰিত হ'ব।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন টেষ্ট মেচ আজি হেডিংলিত আৰম্ভ হৈছে। ইংলেণ্ডৰ অধিনায়ক বেন ষ্টোকে আজি টছত জিকি ভাৰতৰ অধিনায়ক শুভমন গীলক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ভাৰতৰ হৈ অপেনাৰদ্বয় কে এল ৰাহুল আৰু য়শস্বী জয়ছোৱালে দলৰ হৈ দৃঢ় আৰম্ভণি কৰে আৰু প্ৰথম উইকেটৰ যুটীত ৯১ ৰাণ যোগ দিয়ে। শতক অৰ্জন কৰি খেলি থকা প্ৰাৰম্ভিক বেটাৰ যশস্বী জয়ছোৱাল চাহ বিৰতিৰ পিছত বেন ষ্টোকৰ বলত ১০১ ৰাণত বল্ড আউট হয়। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে প্ৰথম ইনিংছত ৩ উইকেটৰ বিনিময়ত ২৪৮ ৰাণ কৰি খেলি আছে। বৰ্তমান অধিনায়ক শুভমন গীল ৭৮ ৰাণ আৰু ঋষভ পণ্টে ১২ ৰাণ কৰি বেটিং কৰি আছে।

০০০০

সমাপ্ত